# পাঁচনি পৌলে তেওঁৰ পত্ৰবিলাকৰ দ্বাৰাই নতুন বিশ্বাসীবিলাকক সবল কৰিছিল।

**প্ৰাৰ্থনা ঃ** "মৰমিয়াল প্ৰভূ, পৌলে নতুন মণ্ডলীবিলাকৰ বাবে যি কৰিছিল আৰু তেওঁবিলাকলৈ যি লিখিছিল সেইবিলাক সমাদৰ কৰিবলৈ ল'ৰা-ছোৱাললীবিলাকক সহায় কৰা।"

ল'ৰা-ছোৱালীবিলাকৰ প্ৰয়োজন আৰু পৰিপক্কতা অনুযায়ী শিকিবলগীয়া কামবোৰ বাচি লওঁক।

পৌলৰ পত্ৰবোৰ শিকাবলৈ তেওঁৰ আটাইতকৈ চুটি ফিলীমনৰ পত্ৰখন পঢ়ক। ইয়াত চাওঁক -

- পৌলে নিজক কি বুলি কৈছিল *(১ পদ)*
- তেওঁ ফিলীমনৰ কি থাকিব পাৰে বুলি আশা কৰিছিল *(৩ পদ)*
- তেওঁ ফিলীমনৰ কাৰণে কি কৰিছিল *(৪-৬ পদ)*
- কাৰ হৈ পৌলে ফিলীমনৰ সহায় বিচাৰিছিল *(১০-১৪ পদ)*
- ফিলীমনে কি কৰাতো পৌলে ইচ্ছা। *(১৫-১৮ পদ)*



পৌলে কিয় ফিলীমনলৈ লিখিছিল, সেই বিষয়ে ল'ৰা-ছোৱালীবিলাকক কওঁক। ওপৰৰ প্ৰশ্নকেইটাৰ পৰা যি বিষয়ে উত্তৰ পালে সেইবিষয়ে প্ৰশ্ন সোধক।

পৌলে তেওঁৰ কেইখনমান পত্ৰলিখাৰ সময়ত কিয় কাৰোগাৰত আছিল বৰ্ণনা দিয়ক।

- প্ৰাচীন ৰোমৰ সম্ৰাটবোৰে অনেক দেশৰ ওপৰত শাসন চলাইছিল আৰু গৰ্ব্বৰোধ কৰিছিল। তেওঁবিলাকে খ্ৰীষ্টিয়ান বিলাকক বন্দীশালত থৈছিল আৰু সম্ৰাটৰ প্ৰতীকৃতিক সেৱা কৰিবলৈ অমান্তি হোৱাবিলাকক বধ কৰিছিল।
- পৌলে অনেক বছৰ কাল ৰোমৰ বন্দীশালত আছিল য'ৰ পৰা তেওঁ নতুন খ্ৰীষ্টিয়ান সমাজলৈ পত্ৰ লিখাৰ দ্বাৰাই তেওঁলোকক সবল কৰিছিল।

পৌলে লিখা কিছুমান ঘটনা নাটকৰ ৰূপত কৰি দেখুওঁৱাক। আটাইবোৰ ভাগ আপুনি কৰি নেদেখুৱালেও হ'ব।

- ল'ৰা-ছোৱালীবিলাকে নাটকখন কৰি দেখুওৱাবৰ বাবে উপাসনা চলাওঁতাজনৰ লগত ঠিক কৰি লওঁক !
- ডাঙৰবিলাকে সৰুবিলাকক যুগুত কৰাত সহায় কৰিব দিয়ক।
- অলপ ডাঙৰ ল'ৰা-ছোৱালী বা জ্যেষ্ঠ কোনোবা এজনক বৰ্ণনাকাৰী, মিছলীয়া, ফিলীমন, আৰু পৌল যিজনে এখন বাইবেল আৰু এখন বস্তা লৈ ঘুৰি ফুৰে, সেইবিলাকৰ ভাওঁ লবলৈ দিয়ক।

- সৰুবিলাকক শিলগুটি দলিওঁৰা, বন্দীশালৰ ৰখীয়া, ডকাইত আৰু ওনীচিমৰ ভাওবোৰ কৰিবলৈ দিয়ক।

**বৰ্ণনাকাৰী** ঃ "এজন দাসে বাইবেলৰ অনেকবোৰ পত্ৰৰ ভিতৰত এখনৰ বিষয়ে কি মনত ৰাখিলে শুনা।"

**ওনীচিম** ঃ ফিলীমনৰ পৰা আঁতৰি কোঠাটোৰ মাজেৰে দৌৰি পাৰহৈ যায়।

**ফিলীমন** ঃ ওনীচিম, ঘূৰি আঁহা। তুমি চুৰ কৰি ফুৰা অকৰ্ম্মণ্য দাস।

**বৰ্ণনাকাৰী** ঃ "দাসজনে দূৰত পৌলক লগপালে, যিজনে তেওঁক যীচুৰ ওচৰলৈ লৈ গ'ল আৰু ঘুৰাই পঠালে।"

**ওনীচিম** ঃ ফিলীমনৰ ওচৰলৈ গ'ল আৰু চিঠিখন তেওঁক দিলে।

**ফিলীমন** ঃ "ওনীচিম ! তুমি তেনেহলে ঘুৰি আহিলা।" (চিঠিখনলৈ চায়) "এইখন পৌলে লিখিছে। তেওঁ তোমাক এজন দাস হিচাপে নহয়, কিন্তু এজন খ্ৰীষ্টিয়ান ভাইৰ নিচিনাকৈ মই ঘুৰাই লৈ যোৱাতো বিচাৰিছে ! হয়, তুমি মুক্ত; আমি দুয়ো একেলগে খ্ৰীষ্টৰ পৰিচৰ্য্যা কৰিম (ওনীচিমক সাৱটি ধৰে)।

**বৰ্ণনাকাৰী** ঃ "পৌলে বন্দীশালত থকা সময়ত কৰিন্থলৈ ভুৱা চলাওঁতাবিলাক আহিল। তেওঁলোকৰ এটা মিছা কথা শুনক।"

**মিছলীয়া** ঃ "পৌলে পাঁচনি হবলৈ যোগ্যতা পোৱা নাই। কিন্তু মই পাইছো, মই এজন প্ৰকৃত পাঁচনি আৰু তোমালোকৰ মণ্ডলীটো মই নিয়ন্ত্ৰন কৰিম আৰু তোমালোকে মোলৈ দান আগবঢ়াবা।"

**বৰ্ণনাকাৰী** ঃ এই ভূলটো শুধৰাবৰ বাবেই পৌলে পত্ৰ লিখিছিল। তেওঁ কি লিখিছিল শুনা।

**পৌল** ঃ ২ কৰিন্থীয়া ১১ঃ১৩-১৪ পদ দুটা বৰ মাতেৰে পঢ়ে।

**মিছলীয়া** ঃ "মই চয়তানৰ সেৱা কৰোঁ, কিন্তু বিশ্বাসীবিলাকক প্ৰতাৰণা কৰিবলৈ মই আত্মিক বাক্য ব্যৱহাৰ কৰোঁ। কুৎসিত ভাবে হাঁহে।

**পৌল** ঃ ২ কৰিন্থীয়া ১১ঃ২৩-২৪ পদ পঢ়ে।

**বন্দীয়াৰ** ঃ বাইবেল আৰু বস্তাখন পৌলৰ পৰা লৈ যায়। তাৰ পিচত তেওঁক ৰছীৰে বান্ধি পিঠিত চাবুকেৰে কোবোৱাৰ নিচিনা কৰে। হাতদুখন এনে ভাবে জোকাৰে যেন পৌলক এডাল গধুৰ চাবুকেৰে মাৰিছে। যিমানবাৰ জোকাৰে সিমানবাৰ কেইকোব মাৰিছে তাক হিচাব কৰে। ৩৫ বাৰত আৰম্ভ কৰি ৩৯ বাৰৰ পাচত ৰৈ দিয়ে। "পয়ত্ৰিশ!" (কোব) "ছয়ত্ৰিশ" (কোব) এইদৰে ৩৯ বাৰলৈকে কৈ থাকে।

**পৌল** ঃ প্ৰত্যেকবাৰ কোব পৰাৰ পাচত বেদনাত কান্দি উঠে। ৩৯ বাৰ কোবৰ পাচত বাগৰি পৰে। ক্ষন্তেক ৰয় আৰু তাৰ পাচত উঠি বাইবেল আৰু বস্তাখন লয়। ২ কৰিন্থীয়া ১১ঃ২৫ পদটো পঢ়ে।

**শিলগুটি দলিওৱা বিলাক আৰু মিছলীয়া** ঃ পৌলৰ গাত গধুৰ শিলগুটি দলিওৱা নিচিনা কৰে।

**পৌল** ঃ বেদনাত কান্দি উঠে পুনৰ পৰি যায়।

**বৰ্ণনাকাৰী** ঃ "পৌলে কৰিন্থীয়াবিলাকলৈ কি লিখিছিল আৰু অলপ শুনা।"

**পৌল** ঃ বাইবেল আৰু বস্তাখনৰে সৈতে উঠি থিয় হয়। ২ কৰিন্থীয়া ১১ঃ২৬ পদটো পঢ়ে।

**ডাকাইতবিলাক** ঃ পৌলৰ পিচফালে মনে মনে গৈ থাকে। এইদৰে চিঞঁৰে "তেওঁৰ মোনাত কিবা আছে !" "তেওঁৰ পৰা কাঢ়ি লোৱা," "তেওঁক মাৰা," "মোনাখন লোৱা," (পৌলৰ মূৰত টাঙোনেৰে কোবোৱাৰ নিচিনা কৰে।আচল টাঙোন ব্যৱহাৰ নকৰিবা। মোনাটো কাঢ়ি লয় আৰু পলায়ন কৰে)।

**পৌল** ঃ ডকাইতে যেতিয়া আক্ৰমন কৰে পৰি যায়।

**বৰ্ণনাকাৰী** ঃ "পৌলৰ পত্ৰৰ বিষয়ে আৰু শুনা।"


**পৌল** ঃ থিয় হয় আৰু ২ কৰিন্থীয়া ১১ঃ২৭-২৮ পদ পঢ়ে।

**বৰ্ণনাকাৰী বা ডাঙৰ ল'ৰা** ঃ নাটকখন কৰিবলৈ সহায় কৰা সকলোকে ধন্যবাদ জনায়।

নাটকখন যদি ল'ৰা-ছোৱালীবোৰে ডাঙৰসকলৰ বাবে কৰে, তেনেহলে ল'ৰা-ছোৱালীবিলাকে ইতিমধ্যে উত্তৰ দিয়া প্ৰশ্নবোৰ (ওপৰত দিয়া) ডাঙৰবোৰক শুধিব দিয়ক। পৌলে নিৰ্য্যাতন ভোগ কৰা কিছুমান কথা কবলৈ ল'ৰা-ছোৱালী আৰু জ্যেষ্ঠবিলাককো আহ্বান জনাওঁক যাতে যীচুৰ বিষয়ে শুভবাৰ্ত্তা সকলো জাতিলৈকে লৈ যাব পাৰে।

এখন খড়িয়াল মুখেৰে সৈতে চাবুক এডাল লৈ থকা মানুহৰ ছবি আঁকা বা চাই চাই আঁকা।

- পিচৰ উপাসনাৰ সময়ত, ল'ৰা-ছোৱালীবোৰক সিঁহতৰ ছবিবোৰ ডাঙৰবিলাকক দেখুৱাবলৈ দিয়ক।
- এই ছবিখনে যে প্ৰেমভৰা পত্ৰ লেখক পৌলে মানৱ সেৱা কৰা কামৰ বাবে কিমানযে কষ্ট ভোগ কৰিবলগা হৈছিল সেই কথাকেই বুজায় বুলি তেওঁলোকক বুজাই দিব দিয়ক।



**মুখস্থ কৰক !** সৰু ল'ৰা-ছোৱালীবিলাকক ১ যোহন ২ঃ১২ পদ আৰু ডাঙৰবিলাকক ১ যোহন ২ঃ১২-১৪ পদটো শিকিবলৈ দিয়ক।

**কবিতা,** তিনিগৰাকী ল'ৰা-ছোৱালীৰ প্ৰত্যেককে ১ যোহন ২ঃ১২, ১৩ আৰু ১৪ এটাকৈ পদ আওঁৰাবলৈ দিয়ক।

ডাঙৰ ল'ৰা-ছোৱালীবিলাকক পৌলৰ বিষয়ে আৰু তেওঁ লিখা পত্ৰবোৰৰ বিষয়ে কবিতা বা গান লিখিবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** "স্বৰ্গত থকা আমাৰ পিতৃ ঈশ্বৰ, বাইবেলত থকা তোমাৰ সেই সুন্দৰ পত্ৰবোৰ যিবোৰত পবিত্ৰ আত্মাই আমাক নিজকে শুধৰাই লবলৈ আৰু আমাক বলিষ্ঠ হবলৈ উদ্‌গনি দিছে, সেইবোৰৰ কাৰণে ধন্যবাদ দিওঁ।"

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net